# অসম বিধান সভা
# লিখিত উত্তৰৰ বাবে প্ৰশ্নসমূহৰ তালিকা
# মঙ্গলবাৰ, ১১ মাৰ্চ, ২০২৫

**পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, ন্যায়িক, পৰ্য্যটন, সাধাৰণ প্ৰশাসন, বিত্ত, মহিলা আৰু শিশু উন্নয়ন, জনস্বাস্থ্য কাৰিকৰী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা।**

**প্ৰশ্নসমূহৰ মুঠ সংখ্যা - ৪২ (৫০)?**

*বিষয় ঃ* MGNREGA **ৰ আঁচনি**

শ্ৰীমজিবুৰ ৰহমান ঃ

৩৯৮। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২২-২৩ আৰু ২০২৩-২৪ বিত্তীয় বৰ্ষত দৰং জিলাৰ কোন কোন ব্লকত MGNREGA ৰ অধীনত কিমান টকা আবণ্টিত হৈছে আৰু তাৰ ভিতৰত এতিয়ালৈকে কিমান টকা খৰচ হৈছে? কিমান টকা ব্লকসমূহলৈ দিবলৈ বাকী আছে? বাকী থকা টকাসমূহ আদায় দিয়া হ'লনে?

(খ) বিগত ২ বছৰত দৰং জিলাৰ কোন কোন ব্লক আৰু গাঁও পঞ্চায়তত 15th F.C. ৰ অধীনত কিমান টকা আবণ্টিত হৈছে আৰু তাৰে ভিতৰত কিমান টকা খৰচৰ ব্যৱহাৰিক প্ৰমাণ পত্ৰ দিয়া হৈছে?

(বিস্তাৰিত তথ্য সদনত দখিল কৰিব)

*বিষয় ঃ* **শিৱসাগৰ বিধানসভা সমষ্টিত প্ৰতিটো পৰিয়ালক পাইপৰ পানী যোগান।**

শ্ৰীঅখিল গগৈ ঃ

৩৯৯। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নতুন ৯৬ নং শিৱসাগৰ বিধানসভা সমষ্টি (সমষ্টি পুনৰ নিৰ্ধাৰণৰ পাছৰ) ৰ মুঠ পৰিয়ালৰ সংখ্যা কিমান আৰু তাৰে কিমানটা পৰিয়ালে নগৰীয়া পানী যোগান অথবা জলজীৱন মিছনৰ অধীনত পাইপৰ পানী লাভ কৰি আছে? শতাংশও অৱগত কৰিব।

(খ) সেই বিধানসভা সমষ্টিত কিমান পানী যোগান প্ৰকল্প অৰ্ধনিৰ্মিত হৈ আছে? সেইবোৰৰ নাম আৰু কাম সম্পূৰ্ণ কৰি দিয়াৰ তাৰিখ জনাব।

(গ) পানী যোগানৰ ব্যৱস্থা নোপোৱা পৰিয়ালবোৰৰ সকলোকে (নগৰ আৰু গাঁও) ১০০ শতাংশ পানী যোগান দিবলৈ লোৱা ব্যৱস্থাসমূহ অৱগত কৰিব আৰু কেতিয়াৰ ভিতৰত দিয়াৰ লক্ষ্য বান্ধি লৈছে জনাব।

*বিষয় ঃ* PMAYG **আঁচনিৰ ঘৰ নিৰ্মাণ**

শ্ৰীনিজানুৰ ৰহমান ঃ

৪০০। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গৌৰীপুৰ বিধান সভা সমষ্টিত যোৱা ২০১১ বিত্তীয় বৰ্ষত হোৱা "লোকপিয়ল" অনুসৰি দৰিদ্ৰ সীমাৰেখাৰ তলৰ কিমান পৰিয়ালক প্ৰধানমন্ত্ৰী আৱাস গৃহ নিৰ্মাণ কৰা হ'ল আৰু কিমান বাকী আছে? আধৰুৱা আৰু বাকী থকা ঘৰসমূহ কেতিয়ালৈকে সম্পূৰ্ণ হ'ব?

(খ) ২০১৬-১৭ বৰ্ষত জৰীপ কৰা দৰিদ্ৰ পৰিয়ালসমূহক কেতিয়ালৈ গৃহ প্ৰদান কৰা হ'ব?

*বিষয় ঃ* **শিশু খাদ্য সম্পৰ্কে**

ডাঃ আচিফ মহম্মদ নাজাৰ ঃ

৪০১। মাননীয় মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২২ চনত প্ৰকাশিত নিবিদা অনুসৰি SNP আঁচনিৰ অধীনত কোন কোন Firm বা প্ৰতিষ্ঠানে Ready to eat খাদ্য যোগানৰ ঠিকা লাভ কৰিছিল?

(খ) খাদ্য যোগানৰ বাবে ঠিকা লাভ কৰা প্ৰতিষ্ঠানসমূহৰ B.I.S. ছাৰ্টিফিকেট থকাটো বাধ্যতামূলক নে? যদি বাধ্যতামূলক, নিবিদাত অংশগ্ৰহণৰ সময়ত ঠিকা লাভ কৰা প্ৰতিষ্ঠানসমূহৰ B.I.S. ছাৰ্টিফিকেট আছিল নে? ঠিকা লাভ কৰা প্ৰতিষ্ঠানসমূহৰ তালিকা, কিমান টকাৰ ঠিকা লাভ কৰিছিল তাৰ তালিকা প্ৰদান কৰিব। লগতে ঠিকা লাভ কৰা প্ৰতিষ্ঠানসমূহৰ B.I.S. ছাৰ্টিফিকেটৰ প্ৰতিলিপি প্ৰদান কৰিব।

*Sub.* : **Benefits under different schemes and Anganawadi Centres in Goalpara district.**

Shri ABDUR RASHID MANDAL :

402. Will the Minister of Women and Child Development be pleased to state :

(a) Please furnish year wise in details the benefits given under One Stop Centres (OSC), District Hub for Women Empowerment, Rehabilitation Centre, Old Age Home, Women Helplines (181-WHL), Beti Bachaon Beti Padhao (BBBP), Ujjawala, Swadhar Greh, Working Women Hostel, National Creche Scheme, Pradhan Mantri Matri Vandana Yojona (PMMVY), Sukanya Samriddhi schemes in Goalpara district with relevant Government circulars and list of beneficiaries during the tenure of present Government.

(b) District wise and year wise numbers of Model Anganawadi Centres sanctioned, works started, works in progress, works completed,

works yet to be started, buildings handed over to the department during the tenure of present Government.

(c) Please furnish in details the ICDS project wise list of Anganawadi Centres with names of worker and helper, posts lying vacant in the offices at District Women and Child Development, ICDS projects and Anganawadi Centres in Goalpara district. What steps are taken to fill up the vacancies ?

(d) Please furnish Government guidelines about the Vigilance & Monitoring Committee at all levels in the district.

*বিষয় ঃ* **পৰ্য্যটন উদ্যোগ**

শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) ঃ

৪০৩। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্য চৰকাৰে পৰ্য্যটনৰ বিকাশৰ বাবে কি কি উদ্যোগ গ্ৰহণ কৰিছে?

(খ) নদী পৰ্য্যটনৰ বিকাশৰ বাবে চৰকাৰে কিবা পৰিকল্পনা গ্ৰহণ কৰিছেনে? বিস্তাৰিত জনাব।

*বিষয় ঃ* **শ্ৰমিকসকলৰ** Geo Tag **সম্পৰ্কে**

শ্ৰীনজৰুল হক ঃ

৪০৪। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্তমানলৈকে MGNREGAৰ শ্ৰমিক এজনৰ দৈনিক হাজিৰা কিমান? এই আঁচনি আৰম্ভণিৰ পৰা বৰ্তমানলৈকে কিমানবাৰ MGNREGAৰ শ্ৰমিকৰ দৈনিক হাজিৰা আৰু কি পৰিমাণে বৃদ্ধি কৰা হৈছে? (বিতং তথ্য সদনত দাখিল কৰিব)

(খ) MGNREGAৰ একোটা আঁচনিত কিমানজন শ্ৰমিক নিয়োগ কৰি কিমান দিনৰ ভিতৰত কাম সম্পূৰ্ণ কৰিব লাগে? শ্ৰমিকসকলে কাম কৰোতে দিনত দুবাৰকৈ (২) Geo Tag লোৱা হয়নে? যদি হয়, কোনো কাৰণত শ্ৰমিকসকলৰ Geo Tag এবাৰ লোৱাৰ পিছত যদি দ্বিতীয়বাৰ নেটৱৰ্কৰ অসুবিধাৰ বাবে Geo Tag ল'ব নোৱাৰে, তেন্তে শ্ৰমিকক দিনটোৰ পাৰিশ্ৰমিক মজুৰী দিয়া হয়নে? যদি দিয়া নহয়, তাৰ কাৰণ কি?

*বিষয় ঃ* **আঁচনি সম্পৰ্কে**

শ্ৰীআব্দুৰ ৰহিম আহমেদ ঃ

৪০৫। মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা বিধান সভা সমষ্টিত যোৱা ২০২৩-২৪ আৰু ২০২৪-২৫ ইং বিত্তীয় বৰ্ষত এই বিভাগৰ দ্বাৰা কি কি আঁচনি ৰূপায়ণ হৈছে? বিত্তীয় বৰ্ষ অনুযায়ী আঁচনিসমূহৰ তালিকা সদনত দাখিল কৰিব।

(খ) বৰপেটা বিধান সভা সমষ্টিত বৰ্তমানে এই বিভাগৰ দ্বাৰা কি কি আঁচনিৰ কাম চলি আছে? আঁচনিসমূহৰ নামৰ তালিকাৰ লগতে আবণ্টিত ধনৰ পৰিমাণ আৰু কামৰ অগ্ৰগতিৰ খতিয়ানৰ সবিশেষ তথ্য সদনত দাখিল কৰিব।

(গ) বৰপেটা বিধান সভা সমষ্টিত এই বিভাগৰ দ্বাৰা নতুন কোনো আঁচনি অনুমোদন দিয়াৰ পদক্ষেপ গ্ৰহণ কৰিছে নেকি, সবিশেষ জনাব।

*বিষয় ঃ* **খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত থকা গাড়ীসমূহত ড্ৰাইভাৰ নিয়োগ।**

শ্ৰীদিগন্ত বৰ্মন ঃ

৪০৬। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্তমান কিমানটা খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয় আছে?

(খ) সকলো কাৰ্যালয়তে খণ্ড উন্নয়ন বিষয়াৰ ব্যৱহাৰৰ বাবে চৰকাৰী গাড়ীৰ ব্যৱস্থা আছেনে?

(গ) যদি আছে, প্ৰত্যেকখন চৰকাৰী গাড়ীৰ বিপৰীতে ড্ৰাইভাৰ আছেনে?

(ঘ) যদি নাই, উক্ত গাড়ীসমূহৰ বাবে ড্ৰাইভাৰ নিয়োগ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবনে?

*Sub.* : **Houses under PMAY (Urban)**

Shri SIRAJUDDIN AJMAL :

407. Will the Minister of Housing and Urban Affairs Department be pleased to state :

(a) Please furnish the details of the number of families surveyed along with number of homeless families residing in different urban areas in the state, district-wise.

(b) Please furnish the details of the target fixed under PMAY (urban) during each of the last three years and the current year in the state, district-wise.

(c) Please furnish the details of the target achieved under PMAY (urban) during each of the last three years and the current year in the state, district-wise.

(d) Please furnish the list of houses executed under PMAY (Urban) during the period from year 2022-23 till date, including all the sanctioned amounts, all installments, contingencies and interest accrued, year wise and ward wise of Doboka MB.

*বিষয় ঃ* **জল-জীৱন মিচনৰ পানী যোগান সম্পৰ্কে।**

শ্ৰীভাস্কৰ শৰ্মা ঃ

৪০৮। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জল-জীৱন মিচনৰ অন্তৰ্গত মাৰ্ঘেৰিটা বিধান সভা সমষ্টিৰ অন্তৰ্গত বহুকেইটা আঁচনি চৰকাৰে গ্ৰহণ কৰিছিল যদিও সেইসমূহ আজিও সক্ৰিয় হৈ উঠা নাই, এই বিষয়ে চৰকাৰ অৱগত নে?

(খ) যদি অৱগত, উক্ত আঁচনিৰ অধীনত ইতিমধ্যে নিৰ্মাণ সম্পূৰ্ণ হোৱা অথবা অৰ্ধনিৰ্মিত হৈ থকা প্ৰকল্পসমূহ সম্পূৰ্ণ কৰি ৰাইজৰ ব্যৱহাৰৰ উপযোগী হোৱাকৈ বিভাগে তৎকালীনভাৱে ব্যৱস্থা গ্ৰহণ কৰিবনে?

(গ) যদি কৰে, তেন্তে কেতিয়াৰ পৰা সৰ্বসাধাৰণ লোকে বিশুদ্ধ খোৱাপানী ব্যৱহাৰ কৰিবলৈ সক্ষম হ'ব?

*বিষয় ঃ* **অংগনবাড়ী কৰ্মী সম্পৰ্কে**

শ্ৰীতেৰছ গোৱালা ঃ

৪০৯। মাননীয় মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত মুঠ কিমানটা অংগনবাড়ী কেন্দ্ৰ আছে? ইয়াৰ কিমানটা আদৰ্শ অংগনবাড়ী কেন্দ্ৰলৈ উন্নীতকৰণ কৰা হৈছে? সমষ্টি ভিত্তিত তালিকা দিব।

(খ) অংগনবাড়ী কৰ্মী আৰু সহায়িকাসকলক মাননী কিমান টকাকৈ দিয়া হয়? অংগনবাড়ী কৰ্মী আৰু সহায়িকাসকলৰ মাননী বৃদ্ধি কৰাৰ কিবা পৰিকল্পনা আছে নেকি? যদি আছে, কেতিয়া বৃদ্ধি কৰিব? বিতং তথ্য দিব।

(গ) অসমত কিমান গৰাকী অংগনবাড়ী কৰ্মী আৰু সহায়িকা অস্থায়ীভাৱে কৰ্মৰত হৈ আছে? অস্থায়ী অংগনবাড়ী কৰ্মী আৰু সহায়িকাসকলৰ মাননী কিমান? অস্থায়ী কৰ্মীসকলক স্থায়ীভাৱে নিযুক্তি দিয়াৰ কিবা পৰিকল্পনা আছে নেকি? যদি আছে, কেতিয়ালৈ নিযুক্তি দিব?

(ঘ) আদৰ্শ অংগনবাড়ী তালিকাত অন্তৰ্ভুক্ত নোহোৱা কেন্দ্ৰসমূহ কেতিয়া আদৰ্শ কেন্দ্ৰলৈ উন্নীতকৰণ কৰিব?

*বিষয়ঃ* **জিলা উন্নয়ন প্ৰাধিকৰণ সন্দৰ্ভত**

শ্ৰীচক্ৰধৰ গগৈ ঃ

৪১০। মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমানখন জিলাত জিলা উন্নয়ন প্ৰাধিকৰণ (DDA) আছে তথ্য দিব।

(খ) এই DDA বিলাকৰ কাম কি? এই ব্যৱস্থাটোৰ লক্ষ্য আৰু উদ্দেশ্য সম্পৰ্কে লিখিত ৰূপত সবিস্তাৰে জনাব।

(গ) যোৱা বৰ্ষত ডিব্ৰুগড় DDA এলেকাত নতুনকৈ গাঁও অন্তৰ্ভুক্ত কৰা হৈছিল নেকি? যদি হৈছিল, ন-পুৰণি সৰ্বমুঠ গাঁৱৰ তালিকা সুকীয়া সুকীয়াকৈ দিব।

(ঘ) এই গাঁওসমূহ DDA ডিব্ৰুগড়ৰ লগত অন্তৰ্ভুক্তিৰ বাবে বাচি লোৱাৰ কাৰণ কি? DDA ত অন্তৰ্ভুক্ত হোৱাৰ ফলত এই গাঁওসমূহত কি কি লাভ হ'ব? জনাব।

(ঙ) গাঁওসমূহ DDA ত অন্তৰ্ভুক্ত হোৱাৰ পাছৰ পৰ্য্যায়ত ব্যক্তিসকলে কি কি কামৰ বাবে DDA ৰ পৰা অনুমতি (Permission) ল'ব লাগিব? এই permission সমূহ বিনামূলীয়ানে? যদি নহয়, কেনেধৰণৰ? পৰিমাণসহ বিশদভাৱে জনাব।

*বিষয় ঃ* **তিতাবৰত এটা চৰকাৰী Circuit House নিৰ্মাণৰ বিষয়ে।**

শ্ৰীভাস্কৰ জ্যোতি বৰুৱা ঃ

৪১১। মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

বিগত ২০২২-২৩ বৰ্ষত তিতাবৰত এটা চৰকাৰী Circuit House ৰ ব্যৱস্থা কৰাৰ কথা ঘোষণা কৰা হৈছিল আৰু সমজিলা হিচাপে এটা Circuit House ৰ অতি প্ৰয়োজন আছে, গতিকে চৰকাৰে এই বিষয়ত এটা ব্যৱস্থা ল'বনে জনাব।

*বিষয় ঃ* **দ্বীপৰ বিলৰ উন্নয়ন সম্পৰ্কত ?**

শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা ঃ

৪১২। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দ্বীপৰ বিলৰ উন্নয়নৰ বাবে ২০২৪-২৫ বিত্তীয় বৰ্ষত ধাৰ্য্য কৰা ১০০ (এশ) কোটি টকাৰ D.P.R. প্ৰস্তুত কৰা হ'ল নে?

(খ) উক্ত ১০০ (এশ) কোটিৰ আঁচনি বৰ্তমান কি পৰ্যায়ত আছে, জনাব নে?

(গ) ১০০ (এশ) কোটি টকাৰে দ্বীপৰ বিলৰ উন্নয়নৰ বাবে কি পৰিকল্পনা গ্ৰহণ কৰিছে?

(ঘ) ২০১৮-১৯ বিত্তীয় বৰ্ষত চৰকাৰে অনুমোদন জনোৱা ১০ (দহ) কোটি টকা বৰ্তমান কি অৱস্থাত আছে, জনাব নে?

*বিষয় ঃ* **Arsenic ৰসায়ন যুক্ত পানী**

শ্ৰীবিদ্যা সিং ইংলেং ঃ

৪১৩। माननीय জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কাৰ্বি আংলঙৰ কোনবোৰ অঞ্চলৰ ভূগৰ্ভৰ জলৰাশি (Ground Water) ত কম বেছি পৰিমাণে বিষাক্ত Arsenic ৰসায়ন যুক্ত হৈ আছে। ইয়াৰ বিস্তৃত তথ্য দিব।

(খ) Arsenic ৰসায়ন যুক্ত পানী খাই এই অঞ্চলৰ কিমান লোক ৰোগত আক্ৰান্ত হৈছে? বিস্তৃতভাৱে তথ্য প্ৰকাশ কৰিব।

(গ) এই অঞ্চলৰ নাগৰিক সকলৰ বাবে বিশুদ্ধ খোৱা পানী যোগানৰ চৰকাৰীভাৱে কি ব্যৱস্থা হাতত লোৱা হৈছে?

*বিষয় ঃ* **বনৰীয়া জন্তুৰ উপদ্ৰপ বন্ধ কৰাৰ বাবে**

শ্ৰীফণীধৰ তালুকদাৰ ঃ

৪১৪। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মানাহ অভয়াৰণ্যৰ কাহিতেমা ৰেঞ্জৰ পৰা চাংলা পানী নদীৰ পৰা প্ৰায় পাঁচ কিলোমিটাৰ পথৰ কিছু অংশ উন্মুক্ত অৱস্থাত থকা কথাটো বিভাগ জ্ঞাতনে?

(খ) এই উন্মুক্ত এলেকাৰ ফলত সেই অঞ্চলৰ প্ৰায় ১০ খন গাঁৱৰ মাজত সদায় বনৰীয়া জন্তু হাতী, বাঘ আদিয়ে খেতি বাতিৰ লগতে ঘৰ-দুৱাৰ আদি অনিষ্ট সাধন কৰি আহিছে, এই বিষয়ে বিভাগ জ্ঞাতনে?

(গ) বনৰীয়া জন্তুৰ উপদ্ৰপ বন্ধ কৰিবলৈ সেই অঞ্চলবোৰত সামান্য পৰিমাণৰ বিদ্যুৎ শ্বৰ্ত প্ৰবাহিত কৰি উন্নত মানদণ্ডৰ Fencing (বেৰ) দিয়াৰ ব্যৱস্থা কৰিব নেকি?

(ঘ) উক্ত অঞ্চলবোৰত কেইটিমান ওখ টঙীঘৰৰ ব্যৱস্থা কৰি দিব নেকি?

*বিষয় ঃ* **অংগনৱাড়ী কেন্দ্ৰ নিৰ্মাণ/অগ্ৰগতিৰ খতিয়ান।**

হাফিজ বচিৰ আহমেদ ঃ

৪১৫। মাননীয় মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

২৬ নং বিলাসীপাৰা বিধান সভা সমষ্টিত এনুমোদিত ১৯ টা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ ২ টা কেন্দ্ৰ নিৰ্মাণ সম্পূৰ্ণ হোৱাৰ কথা কৈছে। বাকী ১৭ টা অংগনৱাড়ী কেন্দ্ৰ নিৰ্মাণৰ কাম কি পৰ্যায়ত আছে? (কামৰ অগ্ৰগতিৰ খতিয়ানসহ বিস্তাৰিত তথ্য সদনৰ মেজত দাখিল কৰিব)

*বিষয় ঃ* **আঁচনিৰ সম্পৰ্কে**

শ্ৰীআবুল কালাম ৰশিদ আলম ঃ

৪১৬। মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোৱালপাৰা Development Authority ৰ দ্বাৰা কি কি চৰকাৰী Scheme হৈ আছে, ইয়াৰ কিমান কাম শেষ হৈছে আৰু কিমান কাম চলি আছে? তথ্য সহকাৰে জনাব।

(খ) এই বিভাগৰ দ্বাৰা "Improvement and Upgradation of SH-46 from CH-31.00 KM to 31.60 KM including rotary at Junction point, Goalpara under CIDF for year 2019-20" Scheme টোৰ কাম চলি আছে নেকি? যদি আছে, Estimate, work order, A.A., DPR সহ তথ্য সহকাৰে জনাব। এই Scheme ৰ টকাৰে চৰকাৰী নিয়ম ভংগ কৰি বেলেগ Scheme লোৱা হৈছে নেকি? যদি হৈছে, তাৰ বিৰুদ্ধে চৰকাৰৰ দ্বাৰা কিবা বিহিত ব্যৱস্থা লোৱা হ'ব নেকি? যদি নহয় কিয় তথ্য সহকাৰে জনাব।

(গ) গৃহ নির্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ দ্বাৰা গোৱালপাৰা চহৰত কি কি Scheme লোৱা হৈছে? আৰু কিমান Scheme ৰ কাম চলি আছে আৰু কিমানৰ কাম বাকী আছে? বাকী থকা কাম কিমান দিনৰ ভিতৰত সম্পূৰ্ণ হ'ব? তথ্য সহকাৰে জনাব।

*বিষয় ঃ* **আৰ্ছেনিকৰ উপস্থিতি সম্পৰ্কে**

শ্ৰীসুৰেন ফুকন ঃ

৪১৭। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিগবৈ সমষ্টিৰ অন্তৰ্গত কোনো স্থানৰ পানীত বৰ্তমানলৈকে আৰ্ছেনিকৰ উপস্থিতি পোৱা গৈছে নেকি? (বিতংভাৱে জনাব)

(খ) ডিগবৈ সমষ্টিত কিমানখন পানী যোগান আঁচনি বৰ্তমান সক্ৰিয় আৰু কিমানখন নিষ্ক্ৰিয় হৈ আছে? (বিতংভাৱে জনাব)

*বিষয় ঃ* **অঙ্গনৱাড়ী কেন্দ্ৰৰ হিচাপ**

মোঃ নুৰুল হুদা ঃ

৪১৮। মাননীয় মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমান সংখ্যক অঙ্গনৱাড়ী কেন্দ্ৰ আছে? প্ৰতিটো ICDS ভিত্তিত কেন্দ্ৰৰ সংখ্যা জনাব।

(খ) প্ৰতিটো শিশু উন্নয়ন প্ৰকল্পৰ এলেকাত থকা অঙ্গনৱাড়ী কেন্দ্ৰৰ নাম আৰু সেই কেন্দ্ৰত অঙ্গনৱাড়ী কৰ্মী আৰু সহায়িকা আছে নে নাই? বিতং তথ্য সহকাৰে সদনত জনাব।

(গ) শিশু সকলক কি কি খাদ্য, কেনেদৰে, প্ৰতিজন শিশুৰ বাবে প্ৰতিদিনে কিমান টকা আৰু কি কি দিয়া হয়? বিতং জনাব।

*Sub.* : **Shortage of G.P. Secretary**

Shri RUPJYOTI KURMI :

419. Will the Minister of Panchayat & Rural Development Department be pleased to state :

(a) Is the Government aware that there is a Shortage of Gaon Panchayat Secretary ?

(b) If yes, By when the Government will take step to appoint & Solve the Shortage of G.P. (Gaon Panchayat) Secretary ?

*বিষয় ঃ* **সি ডব্লিউ সি দের চাকুরী সম্পর্কিত**

শ্রীকমলাক্ষ দে পুরকায়স্থ ঃ

৪২০। মাননীয় Public Health Engineering বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ কবিয়া জানাবেন কি ঃ

(ক) সি ডব্লিউ সি দের চাৰুরী ভবিষ্যতে ৬০ বছর পর্যন্ত করার এবং সঙ্গে বিভিন্ন সুবিধা দেওয়ার সরকারের কোন পরিকল্পনা আছে কি? এবং তাহার তথ্য সদনে প্রকাশের অনুরোধ জানাই।

(খ) আসামে মোট কতজন জলমিত্র Volunteer আছেন?

(গ) তাহাদের স্থায়ীকরন বা প্রাপ্ত মাসিক ভাতা ও সুযোগ সুবিধা বৃদ্ধির কোনো পরিকল্পনা সরকারের আছে কী? যদি থাকে, তাহা সদনে প্রকাশের অনুরোধ জানাই।

(ঘ) কাঠিগড়া সমষ্টিতে SBM এর অধীনে Loco Sanitation এর কাজ কত শতাংশ হইয়াছে? এবং কত শতাংশ বাকী আছে, তাহার তথ্য সদনে প্রকাশের অনুরোধ জানাই।

(ঙ) শিলচরে অনুষ্ঠিত Cabinet বৈঠকে সরকার সিদ্ধান্ত নিয়াছিলেন যে বদরপুর শহরে একটি WATER PLANT স্থাপন করা হবে

কিন্তু অদ্যাবধী ওই প্রকল্পের Administrative Approval হয় নাই। ইহার কারণ কি এবং কবে নাগাদ হবে? তাহার তথ্য সদনে প্রকাশের অনুরোধ জানাই।

*বিষয় ঃ* **Worker & Helper এর পারিতোষিক বৃদ্ধি ও নতুন AWC Sanction.**

শ্রীসুজাম উদ্দিন লস্কর ঃ

৪২১। মাননীয় মহিলা এবং শিশু উন্নয়ন বিভাগের মন্ত্রী মহোদয় অনুগ্রহ কবিয়া জানাবেন কি ঃ

(ক) আসামের যে সকল AWC এর Woxer এবং Helper পদে কর্মরত অৱস্থায় আছেন তাহাদের যৎসামান্য পারিতোষিক প্রদান করার বিষয়ে সরকার অৱগত আছে কি?

(খ) যদি থাকে, তবে তাহাদের পারিতোষিক বৃদ্ধি করার জন্য সরকার কোন পদক্ষেপ হাতে নিয়েছে কি?

(গ) বহু জনবসতি থাকা এলাকায় নতুন কোন AWC Centre Sanction দেওয়ার বিষয়ে সরকারের কোন পরিকল্পনা আছে কি?

(ঘ) যদি থাক তবে নাগাদ Sanction দেওয়া হবে?

*Sub.* : **Rural Development Works in 38-Gaolpara West LAC.**

Shri ABDUR RASHID MANDAL :

422. Will the Minister of Panchayat and Rural Development be pleased to state :

(a) Please furnish GP wise details of progress Reports of schemes/works of 38-Goalpara West LAC where Payments for materials bills are paid or yet to be paid during the tenure of present Government.

(b) Please furnish progress Reports of all works of 38-Goalpara West LAC under Adorxo Gram Yojona, Amrit Sarovar, PMAY and works of 15th FC.

(c) What is the guidelines for constitutions of construction committee for works under 15th FC ?

Whether the guidelines are followed or not in Goalpara District ?

(d) Please furnish year wise, the GP wise and ZP level amount of Acrued Interest Fund and details of its utilizations or expenditures during the tenure of present Government.

*বিষয় ঃ* **বিভিন্ন বিভাগত ধাৰ্য্য কৰা ধন সম্পৰ্কে**

শ্রীজাকিৰ হুছেইন সিকদাৰ ঃ

৪২৩। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২৪-২৫ বৰ্ষৰ সাধাৰণ বাজেটৰ জৰিয়তে বিভিন্ন বিভাগত ধাৰ্য্য কৰা ধন বৰ্তমানলৈ কোন কোন বিভাগে কিমান ধন ব্যয় কৰিছে? বিবাগ হিচাপে বিতং তথ্য দিব।

(খ) বিভাগসমুহে কি কি শিতানত ধনসমূহ ব্যয় কৰিছে? বিতংকৈ জনাব।

(গ) যিখিনি ধন ব্যয় কৰা নাই, উক্ত ধনখিনি চলিত বিত্তীয় বৰ্ষৰ ভিতৰত বিভাগে ব্যয় কৰিব পাৰিবনে? বিতংকৈ জনাব।

*বিষয় ঃ* **পানী যোগান আঁচনি সম্পৰ্কে**

শ্রীআব্দুছ ছোৱাহান আলী সৰকাৰ ঃ

৪২৪। মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২৩ বৰ্ষত এছিয়ান ডেভেলপমেণ্ট বেংকৰ অৰ্থসাহায্যত গুৱাহাটীস্থিত পাঞ্জাবাৰীৰ

দক্ষিণ পূৰ পানী যোগান আঁচনিখনৰ প্ৰাৰম্ভিক ব্যয় ৭৬৬.৩৯ কোটি টকা নিৰ্ধাৰণ কৰিছিল। সেই বিষয়ে চৰকাৰ অৱগত নে? (বিতংভাৱে জনাব)

(খ) যদি অৱগত, এই আঁচনিখনৰ নামত ২০১৩ বৰ্ষতে ৪৯১.৬১ কোটি টকা মোকলাই দিয়াৰ পিছতো বিগত পাঁচ বছৰে (২০১৯-২০) বৰ্ষৰ পৰা আঁচনিখনৰ কাম বন্ধ হৈ আছে, সেই বিষয়ে চৰকাৰে অৱগত নে? (বিতংভাৱে জনাব)

(গ) যদি অৱগত, এই আঁচনিখনৰ কাম নতুনকৈ পৰিকল্পনাৰ কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি? (বিতংভাৱে জনাব)

(ঘ) যদি কৰিছে, এই আঁচনিখনৰ কাম পুনৰ কেতিয়া আৰম্ভ কৰিব? বিতংভাৱে জনাব।

*বিষয় ঃ* **MGNREGA আঁচনি**

শ্ৰীৰেকিবুদ্দিন আহমেদ ঃ

৪২৫। মাননীয় পঞ্চায়ত আৰু গ্ৰমোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) MGNREGA আঁচনিৰ অধীনত 2016 ৰ পৰা 2025 লৈ ছয়গাঁও বিধান সভা সমষ্টিত কিমান গাঁৱলীয়া পথ নিৰ্মাণ কৰা হ'ল?

(খ) এই আঁচনিৰ অধীনত ছয়গাঁও বিধান সভা সমষ্টিত কিমান ধন মোকলাই দিয়া হৈছে?

(গ) এই আঁচনিৰ অধীনত কৰা কামৰ ধন অনাদায় হৈ আছে নেকি?

(ঘ) এই আঁচনিৰ অধীনত কৰা কামসমূহ সম্পূৰ্ণ কৰাৰ পিছত চৰকাৰী বিষয়াই চৰজমিন নিৰীক্ষণ কৰে নেকি, জনাব।

(ঙ) জবকাৰ্ডৰ ক্ষেত্ৰত অসম চৰকাৰে লোৱা পদক্ষেপ বাস্তৱত ৰূপায়িত হৈছেনে?

*বিষয় ঃ* **এম জি এন আৰ ই জি এৰ অধীনত কৰ্মদিন সৃষ্টি।**

শ্ৰীআব্দুল বাতিন খণ্ডকাৰ ঃ

৪২৬। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২৩-২৪ বৰ্ষত অসমত এম জি এন আৰ ই জি এৰ সৰ্বমুঠ কিমান কৰ্মদিন সৃষ্টি কৰা হৈছিল? এই কৰ্মদিনৰ কিমান কৰ্মদিন উন্নয়নমূলক কাম আঁচনিৰ জৰিয়তে সৃষ্টি হৈছিল আৰু কিমান কৰ্মদিন প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ জৰিয়তে সৃষ্টি কৰা হৈছিল? জিলা আৰু উন্নয়ন খণ্ড ভিত্তিক তথ্য দিব।

(খ) ২০২৪-২৫ বৰ্ষৰ বৰ্তমানলৈকে কিমান কৰ্মদিনৰ সৃষ্টি কৰা হৈছে?

(গ) ২০২৩-২৪ আৰু ২০২৪-২৫ বিত্তীয় বৰ্ষত বঙাইগাঁও জিলাৰ কোন কোন উন্নয়ন খণ্ডত কিমান টকাৰ সামগ্ৰীৰ বাবে ভেণ্ডৰ সকলক ধন আদায় দিয়া হৈছে?

*বিষয় ঃ* **প্ৰধানমন্ত্ৰী আৱাস যোজনা**

ড° অমিয় কুমাৰ ভূঞা ঃ

৪২৭। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বহুদিন ধৰি প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ যোগ্য হিতাধিকাৰী নিৰ্বাচনৰ বাবে Geo Tag কৰা প্ৰাথমিক চৰ্তটো বৰ্তমান বন্ধ হৈ আছে, Geo Tag কেতিয়া খুলি দিব? সদনত জনাব।

(খ) জবকাৰ্ড ডিমাণ্ড দিয়াৰ ক্ষেত্ৰত পঞ্চায়তৰ জি আৰ এছ গৰাকীৰ অৱহেলাৰ হেতু গ্ৰামোন্নয়নৰ উন্নয়নৰ ক্ষেত্ৰত সমস্যা হিচাবে থিয় দিছে। এই ক্ষেত্ৰত ১০০ দিন কাম দিয়া কাম পোৱাৰ যি অধিকাৰ তাক খৰ্ব কৰা হৈছে। তেনে বিষয়ত কি ব্যৱস্থা গ্ৰহণ কৰিব? (সদনত জনাব)

*Sub.* : **Rationalization of Binnakandi Block.**

Shri SIRAJUDDIN AJMAL :

428. Will the Minister of Panchayat and Rural Development be pleased to state:

(a) As per the recent guidelines for delimitation of Panchayats, what is the maximum number of Gram Panchayats that can be included under a Development Block in the State? Please give details.

(b) Whether the Development Blocks in the State have been rationalized by proper implementation of the above guidelines ? If so, why has Binnakandi Development Block comprising 24 Gram Panchayats not been rationalized yet ? Please give details.

(c) I would like to know whether the Government has any plan to rationalize the larger Development Blocks (like Binnakandi etc.) in the State in the near future.

(d) If not, what is the reason for this and if so, what steps have been taken/will be taken in detail ?

*বিষয় ঃ* **পানী যোগান আঁচনি সম্পৰ্কে**

শ্ৰীতেৰছ গোৱালা ঃ

৪২৯। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত মুঠ কিমানটা জল-জীৱন মিছনৰ অধীনত পানী যোগান আঁচনি আছে? জিলা ভিত্তিত তথ্য দিব।

(খ) দুলীয়াজান বিধান সভা সমষ্টিত জল-জীৱন মিছনৰ অধীনত কিমানটা আৰু কোন কোন ঠাইত পানী যোগান আঁচনি আছে? উক্ত আঁচনিসমূহৰ নামত আবণ্টিত পুঁজিসহ পানী যোগান আঁচনি আঁচনিসমূহৰ নাম তালিকা দিব।

(গ) উক্ত পানী যোগান আঁচনিৰ অধীনত কিমান মানুহে বিশুদ্ধ খোৱা পানীৰ যোগান পাই আছে আৰু কিমান বিকল অৱস্থাত আছে? ঠাইৰ নামসহ তালিকা দিব।

*বিষয় ঃ* **অসমৰ দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালৰ সংখ্যা আৰু উন্নয়ন।**

শ্ৰীঅখিল গগৈ ঃ

৪৩০। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ সৰ্বমুঠ পৰিয়াল কিমান আৰু তাৰে কিমান পৰিয়াল দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰে?

(খ) ২০২৪-২৫ বৰ্ষত অসমৰ প্ৰতিজন নাগৰিকৰ গড় জনমূৰি আয় কিমান? সেই বৰ্ষত ভাৰতৰ প্ৰতিজন নাগৰিকৰ আয় কিমান? ভাৰতৰ সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ নাগৰিকসকলৰ গড় জনমূৰি আয়ৰ তালিকা প্ৰদান কৰিব।

(গ) অসমৰ দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালসমূহৰ অৰ্থনৈতিক বিকাশৰ বাবে লোৱা আঁচনিসমূহ উল্লেখ কৰিব আৰু প্ৰতিটো আঁচনিত হোৱা খৰচৰ পৰিমাণ জনাব।

(ঘ) কেতিয়াৰ ভিতৰত দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা অসমৰ সকলো পৰিয়াল দৰিদ্ৰ সীমাৰেখাতকৈ ওপৰলৈ উঠিব? তাৰ বাবে লোৱা ব্যৱস্থাসমূহ অৱগত কৰিব।

*বিষয় ঃ* **AIRPORT নিৰ্মাণ**

শ্ৰীবিদ্যা সিং ইংলেং ঃ

৪৩১। মাননীয় সাধাৰণ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিফু চহৰৰ নিকটৱৰ্তী অঞ্চলত এটা AIRPORT নিৰ্মাণ কৰাৰ বাবে কাৰ্বি আংলঙৰ ৰাইজৰ বহুদিনীয়া দাবীৰ প্ৰতি সহাৰি জনাই চৰকাৰী মহলত কিবা এটা গুণাগুথা চলি থকা বুলি জানিব পৰা গৈছে। সেয়েহে, বাস্তৱ অৰ্থত এই কাম কেতিয়া আৰম্ভ হ'ব?

(খ) AIRPORT নিৰ্মাণৰ বাবদ যাৱতীয় ভূমি কোন অঞ্চলত অধিগ্ৰহণৰ বাবে চিনাক্ত কৰা হৈছে?

(গ) এই নতুন AIRPORT টো প্ৰতিষ্ঠা কৰাৰ বাবে সৰ্বমুঠ কিমান ভূমিৰ প্ৰয়োজন হ'ব?

(ঘ) নিৰ্মাণ হ'বলগীয়া ডিফু AIRPORT টো ৰাইজৰ ব্যৱহাৰৰ বাবে কেতিয়ালৈ সম্পূৰ্ণৰূপে কাৰ্য্যক্ষম হৈ উঠিব?

*বিষয় ঃ* **DISHA ৰ Meeting সম্পৰ্কে**

শ্ৰীফণীধৰ তালুকদাৰ ঃ

৪৩২। মাননীয় সাধাৰণ প্ৰশাসন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

Election Commissioner এ ২০২৩ চনৰ Notification মতে সমষ্টি পুনৰনিৰ্ধাৰণ হৈ ভৱানীপুৰ সমষ্টিটো, সৰভোগ ভৱানীপুৰ হ'ল। এই সমষ্টিটো Administration প্ৰশাসন দুখন জিলাৰ পৰা হয় আৰু নতুন Notification মতে এই সমষ্টিত আমি দুজন বিধায়ক। কিন্তু বৰপেটা জিলাৰ উপায়ুক্তই জ্ঞাতনে যে ভৱানীপুৰৰ বিধায়কজন ভৱানীপুৰ সৰভোগৰো বিধায়ক হয়? যদিহে জ্ঞাত, তেনেহ'লে DISHA ৰ Meeting সমূহত কিয় নিমন্ত্ৰণ নকৰে?

*বিষয় ঃ* **জল-জীৱন আঁচনি**

ডাঃ আচিফ মঃ নাজাৰ ঃ

৪৩৩। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পানীৰ পাইপ থকাৰ পাছতো জল-জীৱন আঁচনিৰ অধীনত পহিলা ফেব্ৰুৱাৰী পৰ্য্যন্ত পানী নোপোৱা পৰিয়ালৰ সংখ্যা কিমান?

(খ) জল-জীৱন আঁচনিৰ কামসমূহ কেতিয়ালৈ ১০০% সম্পূৰ্ণ কৰা হ'ব?

(গ) জল-জীৱন আঁচনিত সেৱা আগবঢ়োৱা জলমিত্ৰ সকলক কিমান মাননী দিয়া হয়? তেওঁলোকৰ সংস্থাপন স্থায়ী কৰাৰ বাবে বিভাগৰ পৰিকল্পনা আছে নে? বৰ্তমান কিমান জলমিত্ৰ আছে জনাব।

*বিষয় ঃ* **জল-জীৱন মিছন**

শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) ঃ

৪৩৪। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা বছৰটোত কামৰ আবণ্টন দিয়া জল-জীৱন মিছনৰ আঁচনিৰ কামসমূহ হঠাৎ বন্ধ কৰিবলৈ চৰকাৰে নিৰ্দেশ দিয়া কথাটো সত্য নে? যদি সত্য, কিয় হঠাৎ এই কাম বিলাক বন্ধ কৰা হ'ল?

(খ) বাকী কামখিনি সম্পূৰ্ণ কৰা হ'ব কেতিয়া? আধৰুৱা কামৰ বিল ঠিকাদাৰসকলক আদায় দিয়া হ'ল নে?

(গ) এতিয়ালৈকে বহু এলেকা বিশুদ্ধ খোৱাপানীৰ পৰা বঞ্চিত হৈ আছে? গতিকে সেই এলেকাত নতুন আঁচনি ৰূপায়ণ হ'ব নে?

*বিষয়ঃ* **বিভিন্ন বিভাগে অর্থ বরাদ্ধ সম্পর্কিত**

শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ

৪৩৫। মাননীয় Finance বিভাগের মন্ত্রী মহাশয় অনুগ্রহ করিয়া জানাইবেন কি ঃ

২০০১ সাল হইতে অদ্যাবদী আসামের অর্থমন্ত্রক কতৃক ৫ কোটি বা তার অধীক অর্থ কোন কোন বিভাগে এবং কোন কোন প্রকল্পের জন্য মঞ্জুর করিয়াছেন? তাহার জিলা, বিভাগ, প্রকল্প বৎসরভিত্তিক তথ্য সদনে প্রদানের অনুরোধ জানাই।

*বিষয় ঃ* **অংগনবাড়ী কেন্দ্ৰ সম্পৰ্কে**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

৪৩৬। মাননীয় মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমান অংগনবাড়ী কেন্দ্ৰত পাঠদান চলি আছে? সমষ্টি ভিত্তিত তথ্য দিব।

(খ) ইয়াৰে কিমান কেন্দ্ৰ ভাড়াঘৰত চলি আছে? তালিকা দিব। বৰ্তমানলৈ কিমান মডেল অংগনবাড়ী কেন্দ্ৰৰ কাম সম্পূৰ্ণ হৈছে? সমষ্টি ভিত্তিত তথ্য দিব।

(গ) চলিত বিত্তীয় বৰ্ষত আৰু কিমান অংগনবাড়ী কেন্দ্ৰ মডেল অংগনবাড়ী কেন্দ্ৰলৈ উন্নীতকৰণ কৰিব? বিতং তথ্য দিব।

(ঘ) অংগনবাড়ী কেন্দ্ৰৰ জৰিয়তে অসমত কিমান শিশুক পাঠদান দি থকা হৈছে? জিলা ভিত্তিত তথ্য দিব।

(ঙ) অংগনবাড়ী কেন্দ্ৰৰ জৰিয়তে শিশুসকলক কি কি যোগান ধৰা হয়? তালিকা দিব।

*বিষয় ঃ* **অসমলৈ অহা পৰ্য্যটকৰ সংখ্যা**

শ্ৰীঅখিল গগৈ ঃ

৪৩৭। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমলৈ ২০২১-২২, ২০২২-২৩, ২০২৩-২৪, ২০২৪-২৫ বৰ্ষত সৰ্বমুঠ কিমান পৰ্য্যটক আহিছে? তাৰে কিমান বিদেশী নাগৰিক, কিমান বহিঃৰাজ্যৰ নাগৰিক আৰু কিমান সংখ্যক পৰ্য্যটক অসমৰ নাগৰিক, তথ্য দিব।

(খ) কোন কোন পৰ্য্যটন ক্ষেত্ৰলৈ ওপৰৰ বৰ্ষবোৰত পৰ্য্যটকসকল আহিছে? স্থান আৰু খণ্ড অনুসৰি জনাব।

(গ) ওপৰৰ চাৰিটা বৰ্ষত পৰ্য্যটনৰ বিকাশৰ বাবে বিভাগে লোৱা আঁচনিসমূহ আৰু তাৰ বাবে আবণ্টিত ধনৰ পৰিমাণ অৱগত কৰিব।

*বিষয় ঃ* **মৰিগাঁও চাৰণবিল**

ডাঃ আচিফ মঃ নাজাৰ ঃ

৪৩৮। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্য চৰকাৰৰ পৰ্য্যটন বিভাগৰ অধীনত ব্যক্তিগত সংস্থাৰ অনুষ্ঠানত বিত্তীয় সহায় আগবঢ়োৱা হয় নেকি? যদি আগবঢ়োৱা হয়, তেন্তে ২০১৬-১৭ বিত্তীয় বৰ্ষৰ পৰা কিমান টকা ব্যক্তিগত সংস্থাক বিভাগে আবণ্টন দিছে? বিগত ৫ টা বৰ্ষত কোন কোন ব্যক্তিগত সংস্থাক কোন অনুষ্ঠানৰ বাবে কিমান টকা আবণ্টন দিয়া হৈছে? তথ্য প্ৰদান কৰিব।

(খ) মৰিগাঁও চাৰণবিলক লৈ অসম চৰকাৰে পৰ্য্যটন ক্ষেত্ৰলৈ ৰূপান্তৰ কৰাৰ কিবা পদক্ষেপ হাতত লৈছেনে?

*Sub.* : **Utilization of Fund and progress of works.**

Shri ABDUR RASHID MANDAL:

439. Will the Minister of Housing and Urban Affaris Department be pleased to furnish ?

(a) Please furnish in details regarding the construction of 4 nos. of roads including construction of box culverts and pacca draining in Lakhimpur Town, Goalpara for Rs. 1424.77 Lakhs under NLCPR for the year 2012-13. Progress of works, total fund utilized, fund yet to be received from Central Government and State Government probable date of completion of works , actions to be taken against the contractor if he fails to complete the work and surrender the work order be furnished.

(b) Please furnished the details about the works sanctioned for Lakhimpur Municipal Board/ Lakhimpur Town Committee under different heads during the period of 2023-24 and 2024-25 with estimated cost of each work, amount of fund utilized progress of works.

Assam Government Press 46/25-LAQ-550-07-03-2025